দৈনিক জনমভূমি

গুৱাহাটী সোমবাৰ ২৮ এপ্ৰিল, ২০০৮

চৰকাৰৰ ব্যৰ্থতা

সীমিত আয় আৰু সীমাহীন ব্যয় ক্ৰমাৎ জনজীৱনত এক প্ৰহসন স্বৰূপ হৈছে। ইয়াৰ পৰিপূৰক হিচাপে ক'লাধনৰ প্ৰচলন বৃদ্ধি হৈছে। আজি ক'লাধন জনজীৱনৰ এক অভিশাপ ৰূপে পৰিণত হৈছে। মূল্য বৃদ্ধি আৰু ক'লাধনৰ প্ৰভাৱ উভয়ে একেটা মুদ্ৰাৰ দুই পিঠি। এই ক'লাধনৰ প্ৰভাৱ তৃণমূল পৰ্যায়ৰ পৰা শীৰ্ষ স্তৰলৈ সম্প্ৰসাৰিত হৈছে।

কিছুদিনৰ পৰা সমগ্ৰ দেশতে মূল্য বৃদ্ধিয়ে সামাজিক আৰু অৰ্থনৈতিক দিশত এক প্ৰবল বিপৰ্যয়ৰ সৃষ্টি কৰিছে। এনে ধৰণৰ আকাশলংঘী মূল্যবৃদ্ধি চৰকাৰৰ আগোচৰে হোৱা নাই। চৰকাৰৰ প্ৰত্যক্ষ বা পৰোক্ষ স্বীকৃতি আছেই। সেয়েহে দেশ জুৰি হোৱা আন্দোলনত চৰকাৰে এক নীৰৱ আৰু নিষ্ক্ৰিয় ভূমিকা গ্ৰহণ কৰি আছে। মূল্য বৃদ্ধি নিয়ন্ত্ৰণৰ কোনো ব্যৱস্থা লোৱা নাই। ৰৱং চৰকাৰৰ পৰা মদত পাই ক্ৰমান্বয়ে ঊৰ্ধ্বগামী হৈ পৰিছে।

২০০৮-০৯ বিত্তীয় বছৰৰ বাজেটখন আছিল এক নিৰ্বাচনমুখী বাজেট। দেশৰ সাধাৰণ জনগণৰ মন মুহিবলৈ বিভিন্ন ধৰণৰ সুবিধা দিয়া হৈছিল। কৃষকসকলে লোৱা ৬০ হাজাৰ কোটি টকাৰ ঋণ ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছিল। কৃষকসকলক এই ঋণ ৰেহাই দিলেও চৰকাৰে সংশ্লিষ্ট ঋণৰ ধনখিনি বেংকক পৰিশোধ কৰিব লাগিব। কেন্দ্ৰীয় বাজেটখন আছিল এখন ঘাটি বাজেট। এনেবোৰ ঘাটিৰ পৰিপূৰক ব্যৱস্থা নাই। ফলত চৰকাৰে উৎসতে সামগ্ৰীৰ মূল্যবৃদ্ধি নীতি গ্ৰহণ কৰিব লগীয়া হ'ল। সামগ্ৰীৰ মূল্যবৃদ্ধি অতি স্বাভাৱিক হৈ পৰিল।

অসম এখন আমদানিকৃত ৰাজ্য। অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ পৰা সকলো ধৰণৰ আধুনিক বিলাসযুক্ত সামগ্ৰী বাহিৰৰ পৰা আমদানি কৰিব লগীয়া হয়। অতি পৰিতাপৰ কথা যে চাউল, দাইল, আটা, ময়দা, আলু, পিঁয়াজ, মিঠাতেল আদি সকলোবোৰ সামগ্ৰী অসমৰ বাহিৰৰ পৰা আমদানি কৰিব লগীয়া হয়। আমাৰ ৰাজ্যখনত যিখিনি সামগ্ৰী উৎপাদন হয়, সেয়া ৰাজ্যবাসীৰ উপভোগ বা ব্যৱহাৰৰ কাৰণে যথেষ্ট নহয়। ৰাজ্যখনত ক্ৰমাৎ উৎপাদন সংস্কৃতিৰ অৱক্ষয় ঘটি আমদানিমুখী হৈ পৰিছে। ৰাজ্য চৰকাৰে উন্নত আৰু বহল দৃষ্টিভংগী লৈ উৎপাদন সংস্কৃতিত বিভিন্ন ধৰণৰে উৎসাহ উদ্দীপনা যোগাব পৰা নাই। ব্যৱসায়ী সমাজ, উদ্যোগ সমাজসমূহৰ ৰাজনৈতিক নেতাসকলৰ লগত অতি মাত্ৰা হলি-গলি— এই কথা কাৰো অবিদিত নহয়। চৰকাৰৰ কাৰ্যক্ৰম বহুতো ক্ষেত্ৰত উক্ত সমাজৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। নিৰ্বাচন বা আন দলীয় কাৰ্যত চৰকাৰক বিভিন্নধৰণে সহায় আগ বঢ়াই চৰকাৰৰ বিষয়ববীয়াসকলক হাতৰ মুঠিত ৰাখে। ফলত ব্যৱসায়ী আৰু উদ্যোগপতিসকলৰ ভূমিকাত চৰকাৰ অসহায় হৈ পৰে। অসমত আমদানিকৃত সামগ্ৰীসমূহ বিভিন্ন ৰাজ্য অতিক্ৰম কৰি আহি গাড়ী ভাৰা, শ্ৰমিক, পৰীক্ষণ চকী, আৰক্ষী আদিক সন্তুষ্ট কৰি আহোঁতে খৰচান্ত হৈ পৰে। এনে কাৰণত সামগ্ৰীৰ মূল্য স্বাভাৱিকতে বৃদ্ধি পায়। অসৎ ব্যৱসায়ীসকলে তাৰ ওপৰত লভ্যাংশ বৃদ্ধি কৰি এক অস্বাভাৱিক দামত সামগ্ৰী বিক্ৰী কৰে। ব্যৱসায়ীসকলে বহুতো ক্ষেত্ৰত কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰে। পূৰ্বতে প্ৰশাসন যন্ত্ৰই অভিযান চলাই এনে মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে সচেষ্ট হৈছিল। বৰ্তমানে সেয়া হোৱা নাই।

চেৰ্নবিলৰ দুৰ্ঘটনা

এম ভি ৰামানা

এনে ঘটিব পাৰে বুলি ধৰাই হোৱা নাছিল। পঁচিছ বছৰ পূৰ্বে ইণ্টাৰনেশ্যনেল এটমিক এনার্জি এজেঞ্চিৰ নিৰাপত্তা বিভাগৰ মুৰব্বীগৰাকীয়ে 'বুলেটিন অব্ দি ইণ্টাৰনেশ্যনেল এটমিক এনার্জি এজেঞ্চি' (২৫ জুন, ১৯৮৩)ত প্ৰকাশিত এটা প্ৰবন্ধত দাবী কৰিছিল— '১০০০ টাতকৈয়ো অধিক প্ৰাথমিক চাৰ্কিট বিয়েক্টৰৰ ডিজাইনৰ ব্যৱহাৰ হোৱা হেতুকে সিবিলাক অধিক নিৰাপদ হৈ পৰিছে শীতলকাৰক পদাৰ্থ নিৰ্গত হৈ দুৰ্ঘটনাটো ঘটাটো প্ৰায় অসম্ভৱ...

নিৰাপত্তাৰ ক্ষেত্ৰত লোৱা বহুল ব্যৱস্থাইছোভিয়েট ইউনিয়নৰ পাৰমাণৱিক শক্তি কেন্দ্ৰবোৰৰ নিৰাপত্তা সুদৃঢ় কৰি তুলিছে...'। অথচ ১৯৮৬ চনৰ ২৬ এপ্ৰিলত চেৰ্নবিল বিয়েক্টৰ প্ৰকল্পৰ ৪ নং ইউনিটটোৰ বিস্ফোৰণ ঘটিল। ঘটনাটোৰ গুৰুত্ব হ্ৰাস কৰিবলৈ পাৰমাণৱিক উদ্যোগে যত্ন কৰিলেও বৰ্তমানলৈকে ই আটাইতকৈ ধ্বংসাত্মক ঔদ্যোগিক দুৰ্ঘটনা হিচাপেই গণ্য হৈ আহিছে।

চেৰ্নবিলৰ বিয়েক্টৰটো আছিল তথাকথিত আৰ বি এম কে ডিজাইনৰ। নিৰাপত্তাৰ ক্ষেত্ৰত নঞৰ্থক প্ৰভাৱ পেলাব পৰা কিছুমান বিশেষত্ব আছিল এই বিয়েক্টৰটোৰ। চেন্নাইৰ কাষৰ কলপক্কমত থকা ফাষ্ট ব্ৰিডাৰ বিয়েক্টৰটোও এনে বিধৰে। সকলো ধৰণৰ বিয়েক্টৰত শীতলকাৰক জুলীয়া পদাৰ্থৰ প্ৰয়োজন হয়। বিয়েক্টৰৰ অন্তৰ্ভাগত উৎপন্ন হোৱা তাপ এনে জুলীয়া পদাৰ্থই বহিৰ্ভাগলৈ বহন কৰি আনে। কিছুমান কাৰণত শীতলকাৰক পদাৰ্থৰ প্ৰবাহ হ্ৰাস পোৱাৰ উপৰি বিয়েক্টৰ শক্তি সামান্যভাৱে বৃদ্ধি পাবও পাৰে। তেনে পৰিস্থিতিত শীতলকাৰক পদাৰ্থবোৰ উতলি গৈ বুৰবুৰণি উঠিব পাৰে। বিয়েক্টৰটোৰ যদি যোগাত্মক ভয়ড এফিচিয়েণ্ট থাকে, তেন্তে ইয়াৰ ফলত পাৰমাণৱিক দ্বিভংগন প্ৰক্ৰিয়াৰ হাৰ বৃদ্ধি পাব পাৰে। তদুপৰি বুৰবুৰণিও বেছিকৈ উঠিব পাৰে। আৰ বি এম কে ডিজাইনৰ বিয়েক্টৰবোৰত এই বৈশিষ্ট্যটোৰ বাবে হঠাতে শক্তি বৃদ্ধি পোৱাৰ প্ৰৱণতা থাকে।

২৬ এপ্ৰিলৰ দিনা বিয়েক্টৰটোৰ চালকসকলে নিৰাপত্তা-সম্পৰ্কীয় পৰীক্ষা-নিৰীক্ষা চলাওঁতে যথেষ্টভাৱে ইয়াৰ শক্তি বৃদ্ধি পোৱাটো লক্ষ্য কৰিছিল। শক্তিৰ বৃদ্ধিৰ লগতে ইয়াৰ ফলত উৎপন্ন হোৱা তেজস্ক্ৰিয় পদাৰ্থৰ পৰিমাণ আছিল অতি বেছি। বতাহত তেজস্ক্ৰিয় পদাৰ্থবোৰ বহু দূৰলৈকে ভাহি গৈছিল। ক'বলৈ গ'লে উত্তৰ গোলাৰ্ধৰ প্ৰতিখন দেশতে এই পদাৰ্থবোৰ প্ৰৱেশ কৰিছিল। আনকি মুম্বাই আৰু যোধপুৰত থকা ৰেডিয়েশ্যন ডিটেক্টৰটো তেজস্ক্ৰিয় আইচটপৰ পৰিমাণ বৃদ্ধি পোৱাটো ধৰা পৰিছিল।

দুৰ্ঘটনাটোৱে সামাজিক, মনস্তাত্ত্বিক, অৰ্থনৈতিক ক্ষেত্ৰত (কিছুমানৰ মতে ক্ষতিৰ পৰিমাণ ৩ শ বিলিয়ন মাৰ্কিন ডলাৰ) আৰু সৰ্বোপৰি স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলায়। স্বাস্থ্যৰ ক্ষেত্ৰত চকুত পৰা প্ৰভাৱটো হ'ল, অঞ্চলটোত বসবাস কৰা লোকসকলৰ মাজত থাইৰয়েড কেন্ছাৰৰ ব্যাপক বৃদ্ধি। আণৱিক বিকি�ৰণৰ প্ৰভাৱ-সম্পৰ্কে অধ্যয়ন কৰা ৰাষ্ট্ৰসংঘৰ বৈজ্ঞানিক কমিটীখনে ২০০০ চনত ইয়াৰ প্ৰতিবেদনত উল্লেখ কৰিছিল ঃ '(দুৰ্ঘটনাটোত) ক্ষতিগ্ৰস্ত হোৱা দেশ তিনিখনত শিশু অৱস্থাত বিকি�ৰণৰ প্ৰভাৱ পৰা লোকসকলৰ মাজত থাইৰয়েড কেন্ছাৰৰ প্ৰসাৰ (প্ৰায় ১৮০০) পূৰ্বতকৈ যথেষ্ট বেছি। ৰোগটোত আক্ৰান্ত হোৱা লোকৰ সংখ্যা এইছোৱা সময়ত অস্বাভাৱিক ধৰণে বৃদ্ধি পাইছে। বৰ্তমানৰ ধাৰা অব্যাহত থাকিলে বিশেষকৈ ডেকা বয়সত বিকিৰণৰ প্ৰভাৱ পৰাসকলৰ মাজত ইয়াৰ প্ৰসাৰ আৰু বাঢ়িব। বৰ্তমানলৈকে লক্ষ্য কৰা কোনো কাৰণত নিৰ্দিষ্ট এবিধ কেন্ছাৰত সৰহ সংখ্যক লোক আক্ৰান্ত হোৱাৰ ই এটা উদাহৰণ।

পাৰমাণৱিক ক্ষেত্ৰখনৰ লোকসকলে স্বাস্থ্যৰ ওপৰত পৰা বিয়েক্টৰবোৰত এই বৈশিষ্ট্যটোৰ বাবে হঠাতে শক্তি বৃদ্ধি পোৱাৰ প্ৰৱণতা থাকে।

২৬ এপ্ৰিলৰ দিনা বিয়েক্টৰটোৰ চালকসকলে নিৰাপত্তা-সম্পৰ্কীয় পৰীক্ষা-নিৰীক্ষা চলাওঁতে যথেষ্টভাৱে ইয়াৰ শক্তি বৃদ্ধি পোৱাটো লক্ষ্য কৰিছিল। শক্তিৰ বৃদ্ধিৰ লগতে ইয়াৰ ফলত উৎপন্ন হোৱা তেজস্ক্ৰিয় পদাৰ্থৰ পৰিমাণ আছিল অতি বেছি। বতাহত তেজস্ক্ৰিয় পদাৰ্থবোৰ বহু দূৰলৈকে ভাহি গৈছিল। ক'বলৈ গ'লে উত্তৰ গোলাৰ্ধৰ প্ৰতিখন দেশতে এই পদাৰ্থবোৰ প্ৰৱেশ কৰিছিল। আনকি মুম্বাই আৰু যোধপুৰত থকা ৰেডিয়েশ্যন ডিটেক্টৰটো তেজস্ক্ৰিয় আইচটপৰ পৰিমাণ বৃদ্ধি পোৱাটো ধৰা পৰিছিল।

দুৰ্ঘটনাটোৱে সামাজিক, মনস্তাত্ত্বিক, অৰ্থনৈতিক ক্ষেত্ৰত (কিছুমানৰ মতে ক্ষতিৰ পৰিমাণ ৩ শ বিলিয়ন মাৰ্কিন ডলাৰ) আৰু সৰ্বোপৰি স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলায়। স্বাস্থ্যৰ ক্ষেত্ৰত চকুত পৰা প্ৰভাৱটো হ'ল, অঞ্চলটোত বসবাস কৰা লোকসকলৰ মাজত থাইৰয়েড কেন্ছাৰৰ ব্যাপক বৃদ্ধি। আণৱিক বিকিৰণৰ প্ৰভাৱ-সম্পৰ্কে অধ্যয়ন কৰা ৰাষ্ট্ৰসংঘৰ বৈজ্ঞানিক কমিটীখনে ২০০০ চনত ইয়াৰ প্ৰতিবেদনত উল্লেখ কৰিছিল ঃ '(দুৰ্ঘটনাটোত) ক্ষতিগ্ৰস্ত হোৱা দেশ তিনিখনত শিশু অৱস্থাত বিকি